**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-05-2025
**Time:** 1205 Hrs

***Assamese Midday Bulletin***

০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আজি ৪৫৭ সংখ্যক তিৰোভাব তিথি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে। গুৰুজনাৰ তিথি উপলক্ষে আজি ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহত পুৱাৰে পৰা হৰিনামৰ পৱিত্ৰ ধ্বনিৰে মুখৰ হৈ উঠিছে।

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত যোৱা ১৯ আগষ্টৰ পৰা আয়োজন কৰা গুৰুজনাৰ কীৰ্তন মহোৎসৱৰ আজি মূল সবাহ অনুষ্ঠিত হ'ব। তিৰোভাব তিথি উপলক্ষে বৰপেটাৰ বৃন্দাবন হাটীৰ ভকতবৃন্দই বিয়লি বৰপেটা সত্ৰত কৰভাৰ প্ৰদান কৰিব। এই উপলক্ষে বৃন্দাবন হাটীৰ হাটীয়াৰ ঘৰৰ পৰা ওজাপালি, গায়ন-বায়ন, নাম-কীৰ্তনীয়া দলে সত্ৰীয়া পৰম্পৰা অনুসৰি শোভাযাত্ৰা কৰি তেল, নিমখ, ঔটেঙা, চাউল, কোমোৰা আদি কৰভাৰ প্ৰদান কৰিব। একেদৰে পাটবাউসী থানতো এই তিথি পালন কৰা হৈছে।

মাজুলীতো আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে সত্ৰ-নামঘৰসমূহ সুন্দৰকৈ সজাই-পৰাই তোলা হৈছে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক নামঘৰত গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ অমিয়া ধ্বনিৰে আকাশ-বতাহ মুখৰ হৈ পৰিছে। গোৱালপাৰাৰ বগুৱানৰ শ্ৰীশ্ৰী হাটী সত্ৰ আৰু শ্ৰীশ্ৰী শ্যামৰায় সত্ৰত গুৰুজনাৰ তিৰোভাব তিথি পালন কৰা হৈছে। বজালী জিলাৰ ভৱানীপুৰ সত্ৰতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে কীৰ্তন মহোৎসৱ অনুষ্ঠিত হৈছে। কামৰূপ জিলাৰ বকোৰ চমৰিয়া সত্ৰ, শুৱালকুছিৰ শ্ৰী ঈশ্বৰ হাতীসত্ৰৰ লগতে প্ৰতিখন সত্ৰ নামঘৰত আধ্যাত্মিক ৰীতি-নীতিৰে তিৰোভাৱ তিথি পালন কৰা হৈছে। হাতী সত্ৰত সাদিনীয়াকৈ এই তিথি পালন কৰা হৈছে। এই উপলক্ষে ভকত আৰু আয়তীসকলে নাম-প্ৰসঙ্গ পৰিৱেশন কৰিছে।

হোজাই জিলাতো আজি মহাপুৰুষজনাৰ তিৰোভাৱ তিথি ভক্তি সহকাৰে পালন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৰুজনাৰ তিৰোভাব তিথি উপলক্ষে সশ্ৰদ্ধ প্ৰণিপাত জনাইছে।

০০০০

মুম্বাইৰ কোলাবাৰ অভিজাত অঞ্চলৰ ৪ বিঘা ভূমি মুম্বাই কৰ্তৃপক্ষই অসম চৰকাৰক ৬০ বছৰৰ বাবে লীজত দিছে। দেশৰ বাণিজ্যিক ৰাজধানীখনত অসমৰ জনসাধাৰণৰ বাবে যাৱতীয় ৰাজহুৱা আন্তঃগাঁথনিৰ বিকাশ তথা সুচল ব্যৱস্থা গঢ়ি তোলাৰ বাবে অসম চৰকাৰে এই ভূমিত এটা নিজা চৌহদ স্থাপন কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি এখন সংবাদমেলত এই কথা ঘোষণা কৰে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে মুম্বাই চহৰলৈ অহা অসমৰ উদ্যোগী, ছাত্ৰ-ছাত্ৰী, ৰোগী তথা অন্যান্য লোকসকল উপকৃত হ'ব। শ্ৰীসোণোৱালে এই ভূমিত স্থাপন হ'বলগীয়া কেন্দ্ৰই উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত নতুন গতি প্ৰদান কৰাৰ লগতে জনকল্যাণমূলক সুবিধাসমূহ তৃণমূল পৰ্যায়লৈ লৈ যোৱাত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে অসমৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া প্ৰয়োজন পূৰণৰ বাবে এটা কেন্দ্ৰ নিৰ্মাণৰ বাবে ভূমি বিচাৰি অসম চৰকাৰৰ মুখ্য সচিবে এখন লিখিত আবেদন প্ৰেৰণ কৰিছিল। এই আবেদনৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় চৰকাৰে ৪ বিঘা ভূমি লীজত দিয়াৰ সিদ্ধান্ত লয়।

০০০০

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত শীঘ্ৰেই দুহেজাৰ ঠিকাভিত্তিক পদত নিযুক্তি দিয়া হ'ব। বিভাগীয় মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি বজালী জিলাৰ পাঠশালাত আয়োজিত এটা অনুষ্ঠানত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অহা দুই-তিনি মাহৰ ভিতৰত সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে এই নিযুক্তি প্ৰদান কৰা হ'ব।

০০০০

তামুলপুৰ জিলাৰ শুৱাগপুৰ আৰক্ষী চকীৰ অন্তৰ্গত বাঙালীপাৰাৰ ভৰালী চ'কত এখন চাৰিচকীয়া বাহনৰ দুৰ্ঘটনাৰ পাছত একাংশ উত্তেজিত লোকৰ আক্ৰমণত আহত হৈ অভিষেক দাস নামৰ এজন যুৱকৰ মৃত্যু হয়। আমাৰ তামুলপুৰৰ সংবাদদাতাই জনোৱা মতে যোৱা ২০ আগষ্টৰ পুৱা অভিষেক নামৰ যুৱকজনে তেওঁৰ আন চাৰিগৰাকী বন্ধুৰ সৈতে তামুলপুৰ নাগ্ৰিজুলি পথেৰে বগামাটিৰ সমীপলৈ ফুৰিবলৈ গৈছিল। উভতি অহাৰ পথত ভৰালী চ'কত তেওঁলোকৰ বাহনখন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা এখন দোকানত খুন্দা মৰাৰ ফলত দোকানখনৰ কিছু ক্ষতি হয় আৰু বাহনখনৰ ভিতৰত যুৱককেইজন আৱদ্ধ হৈ পৰে। চালকৰ আসনত থকা অভিষেক নামৰ যুৱকজনে গাড়ীখনৰ ছানৰুফেৰে বাহিৰলৈ ওলাই আহি আবদ্ধ আটাইকেইজনকে উদ্ধাৰ কৰিবলৈ স্থানীয় ৰাইজৰ সহায় বিচাৰে যদিও একাংশ লোকে তেওঁক আক্ৰমণ কৰে। গুৰুতৰভাৱে আহত অৱস্থাত তেওঁক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও তেওঁৰ মৃত্যু হয়। যুৱকজনৰ পৰিয়ালৰ লোকে তামুলপুৰ থানাত যুৱকজনৰ হত্যাৰ তদন্ত বিচাৰি এজাহাৰ দাখিল কৰিছে। বিভিন্ন দল-সংগঠনেও এই ঘটনাৰ ন্যায় বিচাৰ দাবী কৰিছে।

০০০০

ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, স্বাধীনতা যুঁজাৰু, বিশিষ্ট সমাজবাদী নেতা গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ অনুষ্ঠান অহা ৩১ আগষ্টৰ বিয়লি কটন বিশ্ববিদ্যালয়ত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। ইতিমধ্যে জন্ম শতবাৰ্ষিকী অনুষ্ঠানৰ বাবে গোলাপ বৰবৰা জন্ম শতবৰ্ষ উদযাপন সমিতিয়ে প্ৰস্তুতি অব্যাহত ৰাখিছে। গুৱাহাটীত কালি অনুষ্ঠিত এখন সংবাদমেলত সমিতিৰ বিষয়ববীয়াই অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত ৰাইজক অৱগত কৰে। সমিতিয়ে প্ৰকাশ কৰা অনুসৰি ৩১ আগষ্টৰ বিয়লি গোলাপ বৰবৰা স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানেৰে এই কাৰ্যসূচী আৰম্ভ কৰা হ'ব। উল্লেখযোগ্য যে চলিত বৰ্ষৰ নৱেম্বৰ-ডিচেম্বৰত নতুন দিল্লীত গোলাপ বৰবৰা জন্ম শতবৰ্ষৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................